# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## অৰণ্যত এজনী তিৰোতা

১ম ৰাজাৱলি ৩:১৬-২৮

### কাহিনী...



**ৰাজকীয়** বিচাৰ কক্ষত এক নীৰব-নিস্তবদ্ধতাই বিৰাজ কৰিছিল, আৰু সকলোৰে চকুবোৰ চলোমন ৰজাৰ ওপৰত নিবদ্ধ হৈছিল। তেওঁৰ দাসবিলাক চিন্তিত হৈছিল, এই ইমান জটীল বিচাৰটোক অতি কম বয়সীয়া ৰজা জনে কেনেকৈ নিস্পতি কৰিব।

দুজনী অকলশৰীয়া মাতৃক এটা কোঠালী দিয়া হৈছিল, আৰু প্ৰায় একেটা সময়তে দুয়োজনীয়েই এটা এটা লৰা সন্তান জন্ম দিছিল। ৰাতিৰ সময়ত, এজনী মাতৃয়ে দুৰ্ভাগ্যবশত গা-বাগৰ দিওতে তাইৰ কেচুৱাটোৰ ওপৰতেই শুই পৰিল আৰু কেচুৱাটি উহাস নেপাই মৰি থাকিল। ৰাতিপুৱা তাই যেতিয়া সাৰ পাইছিল তাই দেখিছিল তাইৰ কেচুৱাটো ঠান্ডা আৰু লৰচৰ নোহোৱাকৈ পৰি আছে, অতিশয় হাইৰান হোৱা তিৰোতা জনীয়ে একেটা কোঠালীতে থকা আন তিৰোতা জনীৰ শুই থকা কেচুৱাটিক নিজে লৈছিল আৰু তাৰ ঠাইত তাইৰ মৃত কেচুৱাটিক শুৱাই থৈছিল। কিছু পৰৰ পাছত আন তিৰোতা জনীও সাৰ পাইছিল আৰু দেখিছিল কেচুৱাটি মৰি আছে আৰু দুখত কান্দিবলৈ ধৰিছিল।কিন্তু কেচুৱাটিক ভালকৈ চাই মেলি চোৱাৰ পাছত, তাই গম পাই গৈছিল যে সেইটো তাইৰ নিজৰ কেচুৱা নহয়। কোঠালীটোৰ আনটো কোনলৈ চাই, তাই দেখিছিল তাইৰ লগত থকা আনজনী তিৰোতাই তাইৰ কেচুৱাটিক টানকৈ খামোচমাৰি ধৰি লৈ আছে।

এতিয়া দুয়োজনী তিৰোতাই ৰজাৰ সন্মুখত থিয় হৈছিল, জীৱিত কেচুৱাটিক নিজে পাবলৈ টনা-আজোৰা কৰিছিল। "এই কেচুৱাটি মোৰহে"! এজনীয়ে চিঞৰি চিঞৰি কৈছিল।

"নহয়, মৰা কেচুৱাটিহে তোমাৰ"! আনজনীয়ে ইয়াৰ প্ৰত্যুত্তৰত কৈছিল।

প্ৰকৃত মাতৃ কোনজনী আছিল তাক ৰজাই কেনেকৈ নিৰ্ণয় কৰিব? চলোমনে সিহতৰ তৰ্ক-বিতৰ্কত হস্তক্ষেপ কৰিছিল আৰু এজন প্ৰহৰীক এখন তৰোৱাল আনিবলৈ কৈছিল আৰু জীৱিত কেচুৱাটিক দুটুকুৰা কৰি ভগাই দিবলৈ কৈছিল। সৈনিক জনে প্ৰথমতে ভাৱিছিল যে ৰজাই ধেমালি কৰিছে, কিন্তু চলোমনে প্ৰহৰী জনৰ থেৰোগেৰো কৰা অৱস্হাটোক তীক্ষ্ণদৃষ্টিৰে চাবলৈ ধৰিছিল। লাহেঁকৈ সি তাৰ চোকা চিকমিকাই থকা তৰোৱালখন খাপৰ পৰা উলিয়াই লৈছিল আৰু কেচুৱাটিক লৈ থকা তিৰোতা জনীৰ ফালে অগ্ৰসৰ হৈছিল। অকস্মাত প্ৰকৃত মাতৃজনীয়ে ৰজাৰ ভৰিত পৰিছিল আৰু কাবৌ কাকুলি কৰি নিবেদন কৰিছিল, "কেচুৱাটি তাইকে দিয়ক, কিন্তু অনুগ্ৰহ কৰি ইয়াক হত্যা নকৰিব"! কিন্তু আনজনী তিৰোতাই কৈছিল, "কেচুৱাটি মোৰো নহওক, ইয়াৰো নহওক, তাক দুভাগ কৰক"।

এতিয়া চলোমনে কোনো সন্দেহ নোহোৱাকৈ জানিবলৈ পাৰিছিল কোনজনী প্ৰকৃত মাতৃ হয়।

ভাৱবানীত, এজনী তিৰোতা হৈছে এটা মন্ডলিৰ প্ৰতীক (যিৰিমিয়া ৬:২)। অন্তিম দিনবিলাকত ইমানবোৰ মন্ডলি থকাৰ পিছত নকল মন্ডলিৰ পৰা জীৱিত পুত্ৰ সন্তান থকা অন্তিম দিনৰ প্ৰকৃত মন্ডলিটোক আমি কেনেকৈ চিনাক্ত কৰিম? চলোমনৰ লেখিয়াকৈ, আমিয়ো ঈশ্বৰৰ বাক্যৰ তৰোৱাল ব্যৱহাৰ কৰিব লাগিব (ইব্ৰী ৪:১২)!



# অধ্যয়ন

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়ি খালী ঠাইবোৰ পুৰন কৰক।*

## ১. প্ৰকাশিতবাক্যই ঈশ্বৰৰ প্ৰকৃত মন্ডলিটোক কেনেকৈ চিত্ৰাঙ্কন কৰিছে?

**প্ৰকাশিতবাক্য ১২:১, ২, ৫** *সূৰ্য্যক পিন্ধা, আৰু ভৰিৰ তলত চন্দ্ৰ থকা, আৰু মূৰত বাৰটা তৰাৰ কৰীটি পিন্ধা, এনে এজনী ____________________ দেখা গল; তেওঁ ____________________ আছিল; আৰু প্ৰসৱ কৰিবৰ কাৰনে প্ৰসৱ-বেদনাৰে পীড়িত হৈ আটাহ পাৰি আছিল। ... পাছে সেই তিৰোতাই এটি পুত্ৰ-সন্তান প্ৰসৱ কৰিলে; তেওঁ ____________________ দন্ডেৰে সকলো জাতিক শাসন কৰিব; সেই পুত্ৰক ঈশ্বৰৰ আৰু তেওঁৰ সিংহাসনৰ ওচৰলৈ তুলি নিয়া হল।*

টোকা: বাইবেল ভাৱবানীত, ঈশ্বৰৰ মন্ডলিটোক এজনী সতী তিৰোতাৰ প্ৰকীকি চিহ্নেৰে দেখুওৱা হয় (যিৰিমিয়া ৬:২)। প্ৰকাশিতবাক্য ১২ অধ্যায়ত, এই তিৰোতাজনীয়ে সূৰ্য্য, চন্দ্ৰ, আৰু তৰাবোৰক পিন্ধিছে—এইবোৰ হৈছে ঈশ্বৰৰ সৃষ্টিৰ প্ৰাকৃতিক পোহৰ। যীচুৱে মন্ডলিটোক এইবুলি কৈছিল, "তোমালোক জগতৰ পোহৰ" মথি ৫:১৪। সূৰ্য্যই যীচুৰ পোহৰক সূচায় (গীতমালা ৮৪:১১; মলাখী ৪:২)। তাইৰ ভৰিৰ তলত থকা চন্দ্ৰই পুৰনি নিয়মৰ যাগ-যজ্ঞীয়, বলি বিধান পদ্ধতিৰ প্ৰতীকিৰূপ আৰু ছায়াক বুজায়। যেনেকৈ চন্দ্ৰই সূৰ্য্যৰ পোহৰক প্ৰতিফলিত কৰে, ঠিক তেনেকৈ যাগ-যজ্ঞীয় বলি-বিধান পদ্ধতি উপকাৰী আছিল, কাৰন ই আহিবলগীয়া মচিহ জনাৰ পোহৰক প্ৰতিফলিত কৰিছিল (কলচীয়া ২:১৬, ১৭; ইব্ৰী ১০:১)। তাইৰ মূৰৰ ওপৰত থকা ১২টা তৰাই মন্ডলিৰ নেতৃত্বক-পুৰনি নিয়মৰ ১২ টা ফৈদ আৰু নতুন নিয়মৰ ১২ জন শিষ্যক বুজাই। যি জনাই সকলো জাতিকে লোহাৰ দন্ডেৰে শাসন কৰে তেওঁ হৈছে যীচু (গীতমালা ২:৭-৯; প্ৰকাশিতবাক্য ১৯:১৩-১৬)।

## ২." ৰঙা বৰ নাগ" কোননো বাৰু, আৰু সি কৰিবলৈ চেষ্টা কৰিছে?

**প্ৰকাশিতবাক্য ১২:৯** *সেই মহা নাগক, অৰ্থাত ____________________ আৰু ____________________ নামেৰে বিখ্যাত হোৱা যি পুৰনি সাপে গোটেই জগতৰ ভ্ৰান্তি জন্মায়, তাক পৃথিবীলৈ পেলোৱা হল।*

**প্ৰকাশিতবাক্য ১২:৪** *আৰু প্ৰসৱ কৰিবলৈ উদ্যত হোৱা সেই তিৰোতাই প্ৰসৱ কৰা মাত্ৰেৰ, সেই নাগে তেওঁৰ সন্তানক ____________________ কৰিবলৈ তেওঁৰ আগত থিয় হৈ আছিল।*

টোকা: সেই নাগেই হৈছে চয়তান, যি যীচু জন্মৰ সময়ত পৌত্তলিক ৰোম সাম্ৰাজ্যৰ হতুৱাই কাম কৰিছিল। চয়তানে ৰোমৰ অধীনত থকা এজন শাসনকৰ্ত্তা হেৰোদক প্ৰভাৱিত কৰিছিল আৰু সি বৈথলেহেমত নতুনকৈ জন্ম লাভ কৰা সকলোবোৰ শিশুকেই হত্যা কৰাৰ দ্বাৰাই শিশু যীচুকো হত্যা কৰিবলৈ চেষ্টা কৰিছিল। মথি ২:১৬।

## ৩. যীচুক হত্যা কৰাত চয়তান অসফল হোৱাৰ পাছত কি ঘটিছিল?

**প্ৰকাশিতবাক্য ১২:৫** *সেই পুত্ৰক ঈশ্বৰৰ আৰু তেওঁৰ সিংহাসনৰ ওচৰলৈ ____________________ ____________________ হল।*

**টোকা:** তেওঁৰ পুনৰুত্থানৰ পাছত, যীচু স্বৰ্গ আৰু ঈশ্বৰৰ সিংহাসনখনলৈ আৰোহন কৰিছিল (পাচনিকৰ্ম ১:৯-১১) যত তেওঁক ঢুকি পোৱাতো চয়তানৰ বাবে অসম্ভৱ আছিল।

**৪. যীচুক স্বৰ্গলৈ তুলি নিয়াৰ পাছত, চয়তানে মন্ডলিটোৰ ওপৰত কি কৰিছিল?**

**প্ৰকাশিতবাক্য ১২:১৩** *পাছে নাগে নিজকে পৃথিবীত পেলোৱা দেখি, পুত্ৰ প্ৰসৱ কৰা সেই তিৰোতাক ____________________ কৰিলে।*

**টোকা:** যেতিয়া চয়তানে তাৰ ঘৃণা যীচুৰ ওপৰত আৰু প্ৰকট কৰিব নোৱাৰা হৈছিল, সি তাৰ খং মন্ডলিৰ বিৰুদ্ধে প্ৰয়োগ কৰাৰ দ্বাৰাই যীচুক আঘাত হানিবলৈ সিদ্ধান্ত লৈছিল।

**৫. তাড়ণাৰ এই ভয়ঙ্কৰ সময় চোৱাত সেই তিৰোতা জনী কলৈ গৈছিল? ই কিমান দিনলৈ আছিল?**

**প্ৰকাশিতবাক্য ১২:৬** *আৰু সেই তিৰোতা এক হাজাৰ দুশ তিনি কুৰি দিনলৈকে প্ৰতিপালিত হবৰ কাৰনে, যি অৰণ্যত ঈশ্বৰৰ দ্বাৰাই যুগুত কৰি থোৱা তেওঁৰ ঠাই আছে, সেই ____________________ পলাই গল।*

**টোকা:** সেই তিৰোতা জনীয়ে (ঈশ্বৰৰ মন্ডলি) তাইৰ শত্ৰু সকলৰ পৰা লুকাবলৈ অৰণ্যলৈ (পৃথিবীৰ গুপ্ত স্হান) পলাই গৈছিল। এইটো এটা সকলোৱে জনা বুৰন্জীৰ সত্য কথা যে অন্ধকাৰৰ যুগত, ঈশ্বৰৰ লোকবিলাকে পৃথিবীৰ গুহা আৰু নিৰ্জন ঠাইবোৰলৈ পলাই গৈছিল, এনেকি পোপীয় তাড়ণাৰ পৰা ধৰ্মীয় স্বাধীনতা আৰু সুৰক্ষা লাভ কৰিবলৈ আমেৰিকাৰ সাগৰৰ দাতিলৈকে পলাই গৈছিল। ১২৬০ দিনবোৰে (বাইবেলত ইয়াক ৪২ মাহ বা চাৰে তিনি বছৰ বুলিও ব্যাখ্যা কৰা হৈছে) সেই ১২৬০ বছৰীয়া ভয়ঙ্কৰ তাড়ণাৰ সময়চোৱাকে বুজাইছে যি সময়চোৱাত নিজৰ বিশ্বাস ৰক্ষাৰ্থে নিযুত নিযুত ধৰ্মপ্ৰাণ মানুহ মৰিবলগীয়া হৈছিল।এই সময় চোৱাত, ঈশ্বৰৰ মন্ডলিটো জীয়াইতো আছিল, কিন্তু দৃশ্যমান সংগঠন হিচাপে বা অফিচিয়েল হিচাপে চিনাক্ত কৰিব পৰা অৱস্হাত নাছিল (সংযোজনত, তাড়ণাৰ দিনবোৰ বিষয়টোক চাওক)।

**৬. ঈশ্বৰৰ মন্ডলিটোৰ চিনাক্তকৰনৰ আন দুটা চিনবোৰ কি কি বাৰু?**

**প্ৰকাশিতবাক্য ১২:১৭** *তাতে নাগে সেই তিৰোতালৈ খং উঠি, তেওঁৰ বংশৰ অৱশিষ্ট লোক, অৰ্থাত ঈশ্বৰৰ ____________________ পালন কৰা, আৰু যীচুৰ ____________________ ধাৰণ কৰাবলাকে সৈতে যুদ্ধ কৰিবলৈ গল।*

**টোকা:** ঈশ্বৰৰ অৱশিষ্ট মন্ডলিটোৱে, যিটো মন্ডলিলৈ তেওঁৰ আটাই লোকবিলাকক আহিবলৈ মাতা হৈছে, ঈশ্বৰৰ আটাইকেইটা “দহ-আজ্ঞা” পালন কৰিব (বিশ্ৰাম দিনটোকে লৈ)। এওঁবিলাকৰ লগত যীচুৰ সাক্ষ্যয়ো থাকিব, এই সাক্ষ্য হৈছে ভাৱবানীৰ আত্মা বা ভাৱবানীৰ বৰদান (প্ৰকাশিতবাক্য ১৯:১০)। ঈশ্বৰে তেওঁৰ অন্তিম সময়ৰ মন্ডলিটোক “অৱশিষ্ট মন্ডলি” বুলি নামাকৰণ কৰিছে, কাৰন পাচনিবিলাকৰ মন্ডলিটোৰ ধৰ্মতত্ব আৰু গুণাগুণবোৰ বা চৰিত্ৰবোৰ এই মন্ডলিটোত আছে। “অৱশিষ্টৰ” অৰ্থ হৈছে এদুখৰ কাপোৰৰ শেষ সময়লৈকে ভালকৈ ৰৈ যোৱা অংশ। ই হৈছে একে অৱস্হাত ৰৈ যোৱা সেই প্ৰথম কাপোৰৰ টুকুৰাৰ দৰে একে।

**৭. তেওঁৰ প্ৰতি থকা আমাৰ প্ৰেমক আমি কেনেকৈ প্ৰকাশ কৰোঁ বুলি যীচুৱে কৈছিল?**

**যোহন ১৪:১৫** *তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ আজ্ঞাবোৰ ____________________ কৰিবা।*

**১ম যোহন ৫:৩** *কিয়নো আমি যেন ঈশ্বৰৰ ____________________ পালন কৰোঁ, ঈশ্বৰে দিয়া প্ৰেমৰ অভিপ্ৰায় এয়েই।*

টোকা: আমাৰ আৰম্ভনীৰ কাহিনীটোত আমি পাইছিলো, চলোমনে প্ৰকৃত মাতৃ গৰাকীক চিনাক্ত কৰিব পাৰিছিল তাইৰ হৃদয়ৰ পৰা নিগৰি ওলোৱা প্ৰকৃত প্ৰেমৰ দ্বাৰাই। ঠিক সেইদৰে, ঈশ্বৰৰ প্ৰকৃত মন্ডলিটোক চিনিব পৰা যাব, ইয়াৰ সমৰ্পিত প্ৰেম আৰু তেওঁৰ আজ্ঞাবোৰ বাধ্যতাৰে মানিবলৈ থকা ইয়াৰ পৰম আগ্ৰহৰ দ্বাৰাই।

## ৮. ঈশ্বৰৰ অন্তিম দিনৰ মন্ডলিটোৱে কি তিনিজন স্বৰ্গদূতৰ বানী প্ৰচাৰ কৰিব?

**ক. প্ৰকাশিতবাক্য ১৪:৭** *ঈশ্বৰক ভয় কৰি, তেওঁৰ গৌৰৱ স্বীকাৰ কৰাহঁক কিয়নো তেওঁৰ ____________________ সময় আহিল আৰু স্বৰ্গ, পৃথিৱী, সাগৰ, জলৰ ভুমুকবোৰ, এই সকলোৰে সৃষ্টিকৰ্ত্তাক ____________________ কৰাহঁক।*

**খ. প্ৰকাশিতবাক্য ১৪:৮** *পাছে আন দ্বিতীয় দূত এজনে তেওঁৰ পাছে পাছে ফুৰি কলে, যি বাবিলে নিজ ব্যভিচাৰৰ ক্ৰোধৰূপ দ্ৰাক্ষাৰস সকলো জাতিক পান কৰাইছিল, "সেই ____________________ পৰিল, ____________________ ।*

**গ. প্ৰকাশিতবাক্য ১৪:৯, ১০** *পাছে আন তৃতীয় দূত এজনে, তেওঁবিলাকৰ পাছে পাছে ফুৰি, বৰ মাতেৰে কলে, "কোনোৱে যদি সেই ____________________ আৰু তাৰ প্ৰতিমূৰ্ত্তিক প্ৰণিপাত কৰে, আৰু নিজৰ কপালত বা হাতত ____________________ লয়, তেন্তে ঈশ্বৰৰ কোপৰ পান-পাত্ৰত তেওঁৰ যি ক্ৰোধৰূপ দ্ৰাক্ষাৰস মিহলি নোহোৱাকৈ যুগুতাই ৰখা হৈছে, তাক তেৰোঁ পান কৰিব।*

টোকা: এই তিনি জনীয়া স্বৰ্গদূতৰ উক্তিবোৰে তিনিটা জৰুৰী বানীক বুজায় যাক ঈশ্বৰৰ মন্ডলিটোৱে যীচুৰ দ্বিতীয় আগমনৰ আগতে প্ৰচাৰ কৰিব।

## ৯. ঈশ্বৰৰ মন্ডলিটোৱে এই বানীবোৰ কাক প্ৰচাৰ কৰিব?

**প্ৰকাশিতবাক্য ১৪:৬** *তেওঁ পৃথিবীত বসতি কৰাবিলাকক অৰ্থাত ____________________ ____________________, ফৈদ, ভাষা,আৰু লোকবিলাকৰ আগত প্ৰচাৰ কৰিবলৈ অনন্ত শুভবাৰ্ত্তা পাই, বৰ মাতেৰে কলে।*

টোকা: ঈশ্বৰৰ অন্তিম সময়ৰ মন্ডলিটোৱে এই তিনি খলপীয়া বানীটোক পৃথিবীত থকা প্ৰতিখন ৰাজ্য, প্ৰতিটো জাতিৰ আগত প্ৰচাৰ কৰিব।

## ১০. তেওঁৰ অন্তিম সময়ৰ মন্ডলিটোক যোগাত্মকভাৱে চিনাক্তকৰন কৰাত আমাক সহায় কৰিবলৈ ঈশ্বৰে তেওঁৰ বাক্যত কি বিশেষগুণ প্ৰদান কৰিছে?

**ক.** *১৭৯৮ চনত অৰণ্যত থকাৰ পৰা ই ওলাই অহাৰ পিছত ই মুকলিকৈ দেখা দিব আৰু ইয়াৰ দৃশ্যমান কামবোৰ কৰিব (প্ৰকাশিতবাক্য ১২:৬, ১৩-১৭)।*

**খ.** *পাচনিবিলাকে যি শিকাইছিল, ই সেই একে সত্যবোৰকে শিকাব আৰু ইয়াৰ সকলোবোৰ উপদেশ বাইবেলৰ সৈতে সহমতত থাকিব (প্ৰকাশিতবাক্য ১২:১৭)।*

গ. *বাইবেলৰ বিশ্ৰাম-বাৰকে ধৰি ই আটাইকেইটা দহ-আজ্ঞাকেই পালন কৰিব (প্ৰকাশিতবাক্য ১২:১৭)।*

ঘ. *ইয়াৰ লগত ভাৱবাণীৰ আত্মা থাকিব (প্ৰকাশিতবাক্য ১২:১৭; ১৯:১০)।*

ঙ. *ই বৰ-মাতেৰে ঈশ্বৰৰ তিনিটা অন্তিম সময়ৰ বানী প্ৰচাৰ কৰিব (প্ৰকাশিতবাক্য ১৪:৬-১৪)।*

চ. *ই বিশ্বব্যাপি চলা এটা চলন হব (প্ৰকাশিতবাক্য ১৪:৬)।*

ছ. *ই অনন্ত শুভবাৰ্ত্তাৰ বিষয়ে শিকাব, সেইটো হৈছে একমাত্ৰ যীচু খ্ৰীষ্টৰ যোগেদিহে পৰিত্ৰাণ (প্ৰকাশিতবাক্য ১৪:৬)।*

টোকা: বহুতো প্ৰীতিজনক খ্ৰীষ্টিয়ান সকল সেইবোৰ মন্ডলিৰ সভ্য/সভ্যা হয় যি মন্ডলিবোৰৰ গাত ওপৰত দিয়া সাতটা বিশেষগুণ দেখা পোৱা নাযায়। যি কি নহওক, তেনেকুৱা ধৰনৰ কোনো মন্ডলি ঈশ্বৰৰ অৱশিষ্ট মন্ডলি হব নোৱাৰে যিটো মন্ডলিৰ অন্তৰ্ভুক্ত হবলৈ তেওঁ তেওঁৰ আটাই সৰলচিত্তীয়া সন্তান-সন্ততি সকলক মাতিছে, কাৰন তেওঁৰ অন্তিম সময়ৰ মন্ডলিটোৰ গাত এই সাতটা বিশেষগুণ থাকিবই লাগিব।

**১১. যীচুৱে আপোনাক এই সাতটা ভাৱবানীয় চিনাক্তকৰনৰ গুণ দিছে আৰু তাৰ পাছত এই বুলি কৈছে, যোৱা আৰু মোৰ মন্ডলিটো বিচৰাগৈ। আপোনাৰ অনুসন্ধানৰ ক্ষেত্ৰত তেওঁ কি প্ৰতিজ্ঞা কৰিছে?**

**লূক ১১:৯** *বিচাৰা, তেহে ____________________ ।*

**১২. পৃথিবীত থকা কিমানটা মিচন মন্ডলিৰ গাত এই সাতটা বিশেষগুণ আছে?**

**ইফিচীয়া ৪:৫** *প্ৰভু এক, ____________________ ____________________, বাপ্তিস্ম এক।*

টোকা: সমগ্ৰ পৃথিবীত এই আটাইবিলাক বিশেষগুণ কেৱল এটা মন্ডলিৰ গাতেই আছে-সেই মন্ডলিটো হৈছে চেভেন্থ-ডে এডভেন্টিষ্ট, যি মন্ডলিটোৱে আপোনালৈ এইবোৰ বানী কঢ়িয়াই আনিছে। ই বৰ্ত্তমান সময়ত সমগ্ৰ পৃথিবীতে প্ৰকাশিতবাক্যৰ ১৪:৬-১২ পদবোৰত থকা তিনি জন স্বৰ্গদূতৰ মহান বানীবোৰক প্ৰচাৰ কৰি আছে। অযুত অযুত লোকে সহাৰিও দি আছে।

**১৩. বহুতো মিচন মন্ডলিয়ে নিজকে খ্ৰীষ্টিয়ান বুলি কয়। সেই কথাই তেওঁলোকক ঈশ্বৰৰ প্ৰকৃত মন্ডলি বনাব নে?**

**যিচয়া ৪:১** *সেই দিনা সাতজনী তিৰোতাই এজন পুৰুষক ধৰি কব, "আমি আমাৰ নিজৰেই ____________________ খাম, আৰু নিজৰেই ____________________ পিন্ধিম কেৱল তোমাৰ নামেৰে আমাক আখ্যাত হবলৈ দিয়া তুমি আমাৰ অপমান দূৰ ____________________ ।*

টোকা: পিঠা (অন্য) হৈছে ঈশ্বৰৰ বাক্যৰ প্ৰতীক (যোহন ৬:৩৫, ৫১, ৫২, ৬৩), কাপোৰ বা বস্ত্ৰ হৈছে ধাৰ্ম্মিকতাৰ প্ৰতীক (প্ৰকাশিতবাক্য ১৯:৮)। এই ভাৱবানীত থকা সাতজনী তিৰোতাৰ, নিজৰ অন্য নিজে লগত ৰাখিছে (নিজে ভাবি লোৱা সত্যতা) আৰু পিন্ধিবলৈ নিজৰ বাবে নিজে কাপোৰ (ধাৰ্ম্মিকতা) লগত ৰাখিবলৈ বিচাৰিছে। অলপো দাগ নথকা খ্ৰীষ্টৰ ধাৰ্ম্মিকতাৰ বস্ত্ৰ লবলৈ তেওঁলোকে বিচৰা নাই। তেওঁবিলাকে কেৱল মাত্ৰ যীচুৰ নামটোকহে পাবলৈ বিচাৰিছে, সম্ভৱত হয়তো সেই কাৰনেই বাইবেলে এইবুলি কৈছে, "কিয়নো যাৰে আমি পৰিত্ৰাণ পাব লাগে, স্বৰ্গৰ তলত মানুহৰ মাজত দিয়া এনে আন কোনো নাম নাই"। পাচনিকৰ্ম্ম ৪:১২।

## ১৪. এজন ব্যক্তিয়ে এবাৰ ঈশ্বৰৰ অন্তিম সময়ৰ মন্ডলিটোক আৱিস্কাৰ কৰাৰ পাছত, মন্ডলিটোৰ এজন সভ্য/ সভ্যা হোৱাতো প্ৰয়োজন নেকি?

**পাচনিকৰ্ম ২:৪৭** *আৰু প্ৰভুৱে দিনে দিনে পৰিত্ৰাণ পোৱাবিলাকক ____________________ লগত ____________________ লগাই থলে।*

টোকা: হয়, প্ৰয়োজন। ঈশ্বৰৰ অন্তিম সময়ৰ মন্ডলিটোৰ সভ্য/সভ্যা হোৱাতো আদিষ্ট বা অলঙ্ঘনীয়। মন কৰক সভ্য/ সভ্যা হোৱা নোহোৱা প্ৰশ্নটোৰ ক্ষেত্ৰত ঈশ্বৰৰ উত্তৰটো কিমান সুস্পষ্টঃ

- আমাক এক শৰীৰত আমন্ত্ৰণ কৰা হৈছে (কলচীয়া ৩:১৫)।
- সেই শৰীৰটো হৈছে মন্ডলি (কলচীয়া ১:১৮)।
- বাপ্তিস্মৰ দ্বাৰাই আমি সেই শৰীৰটোৰ ভিতৰত প্ৰৱেশ কৰোঁ (১ম কৰিন্থীয়া ১২:১৩)।

নোহৰ দিনৰ সময়ত জাহাজৰ ভিতৰত প্ৰৱেশ কৰাতো যিমান অলঙ্ঘনীয় আছিল, ঠিক তেনেকৈ আজিৰ তাৰিখত ঈশ্বৰৰ মন্ডলিৰ ভিতৰত প্ৰৱেশ কৰাতোও সিমানেই অলঙ্ঘনীয় আৰু নকৰিলে নোহোৱা কৰ্ত্তব্য। ঈশ্বৰ যিহোৱাই এইবুলি কৈছে, "তুমি সঁপৰিবাৰে জাহাজত উঠাগৈ" আদিপুস্তক ৭:১।

## ১৫. নোহৰ দিনত ৰক্ষা পোৱাৰ কেইটা পথ আছিল?

**ইব্ৰী ১১:৭** *বিশ্বাসৰ গুণে নোহে ... নিজৰ পৰিয়ালৰ পৰিত্ৰাণৰ অৰ্থে এখন ____________________ নিৰ্ম্মান কৰিলে।*

টোকা: যীচুৱে কৈছে যে তেওঁৰ দ্বিতীয় আগমনৰ ঠিক আগে আগে নোহৰ দিনৰ নিচিনাই একে হব (লূক ১৭:২৬)। নোহৰ দিনত যেনেকৈ এখনেই জাহাজ আছিল, ঠিক তেনেকৈ ৰক্ষা (পৰিত্ৰাণ) পোৱাৰ মাত্ৰ এটায়ে পথ থাকিব।

## ১৬. যিহেতু অন্য মিচন মন্ডলিবিলাকতো অনেক বিশ্বাসী খ্ৰীষ্টিয়ান বিলাক আছে আৰু যিহেতু ঈশ্বৰৰ এটাই মাত্ৰ প্ৰকৃত অৱশিষ্ট মন্ডলি আছে, তেনে স্হলত এইবিলাক সৰল চিত্তৰ খ্ৰীষ্টিয়ানৰ কি হব?

**যোহন ১০:১৬** *এই গঁৰালৰ নোহোৱা মোৰ আৰু মেৰ আছে; মই সেইবিলাককো ________________ লাগে; আৰু সেইবিলাকে মোৰ মাত ________________; তাতে ________________ জাক, একেজন ৰখীয়া হৈ যাব।*

**প্ৰকাশিতবাক্য ১৮:২, ৪** *বাবিল মহা-নগৰ পৰিল, পৰিল ... হে মোৰ ____________________, তোমালোকে যেন তাইৰ পাপৰ ভাগী নোহোৱা, আৰু তাইৰ উতপাতৰ ভাগ নোপোৱা, এই কাৰনে তাইৰ পৰা ____________________ ____________________ ।*

**টোকা:** যীচুৱে তেওঁৰ আটাইবিলাক বিশ্বাসী আৰু ভক্তিপৰায়ণ অনুসৰণকাৰীক বাবিলৰ পৰা ওলাই আহিবলৈ আহ্বান কৰিব। তেওঁবিলাকে তেওঁৰ মাত শুনিব, সহাৰিও দিব আৰু তেওঁৰ একমাত্ৰ সত্য, অন্তিম সময়ৰ মন্ডলিটোত প্ৰৱেশ কৰিব।

# আপোনাৰ সহাৰি

*যীচুৱে আজি আপোনাক সুৰক্ষিত হবলৈ তেওঁৰ মহান অন্তিম সময়ৰ মন্ডলিটোত প্ৰৱেশ কৰিবলৈ আহ্বান কৰি আছে। তেওঁৰ বাবে আপুনি অতিকৈ মূল্যৱান। আপুনি তেওঁৰ আহ্বানৰ প্ৰতি সহাৰি দিব নে?*

***উত্তৰ:*** ____________________

# সংযোজন

*এই খন্ডটোৱে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## তাড়ণাৰ বছৰবোৰ

১২৬০ বছৰীয়া বিলাই বিপত্তিৰ বিষয়ে বাইবেলত বাৰে বাৰে উল্লেখ কৰা হৈছে, কাৰন বুৰন্জীয়ে কয় যে ঈশ্বৰৰ লোকসকলে সন্মুখীন হোৱা ই আছিল কেতিয়াওঁ নঘটা আটাইতকৈ অধম ভয়ঙ্কৰ বিলাই বিপত্তি (মথি ২৪:২১)। ইয়াক ১২৬০ বছৰ, ৪২ মাহ আৰু এক কাল দুই কাল আৰু আধা কাল বুলিও কোৱা হৈছে (প্ৰকাশিতবাক্য ১২:৬, ১৪; ১৩:৫; দানিয়েল ৭:২৫)। যিহুদীবলাকৰ কেলেন্ডাৰ ব্যৱহাৰ কৰি, যত বছৰত ৩৬০ আছিল, ওপৰত উল্লেখিত তিনিওঁতাৰ ক্ষেত্ৰতে সময়ৰ মুঠ পৰিমান হয়-১২৬০ বছৰ। ভাৱবানীয় এটা দিন আক্ষৰিক এক বছৰৰ সমান (যিহিস্কেল ৪:৬; গণনাপুস্তক ১৪:৩৪)।

বুৰন্জীয়ে অতি স্পষ্টকৈ প্ৰমান দিয়ে যে ১২৬০ বছৰ ধৰি তাড়ণা কৰা ক্ষমতাটো আছিল পোপীয় ক্ষমতা। এই সময় আৰম্ভ হৈছিল ৫৩৮ খ্ৰীষ্টাব্দত, যি সময়ত ৰোমান সম্ৰাট জাষ্টিনিয়ানৰ আদেশ অনুসৰি খ্ৰীষ্টিয় জগতত পোপীয় ক্ষমতা সৰ্ব্বপ্ৰধান হৈছিল। ৰোমৰ বিচপেই সকলো মন্ডলিৰ মূৰব্বী বুলি তেওঁ সেই আদেশটোত মানি লৈছিল। এই চিঠিখন জাষ্টিনিয়ান কড, সাম্ৰাজ্যৰ প্ৰধান আইনৰ এটা অংশত পৰিণত হৈছিল। এই সময় ১৭৯৮ চনত অন্ত পৰিছিল যেতিয়া নিপোলিয়ানৰ সেনাপতি আলেক্সজেন্ডাৰ বাৰ্থিয়াৰে পোপক বন্দী কৰি কাৰাগাৰত ৰাখিছিল। তাড়ণাৰ এই সময়চোৱাত অন্ততঃ ৫০ মিলিয়ন খ্ৰীষ্টিয়ানে তেওঁবিলাকৰ বিশ্বাসৰ নিমিত্তে প্ৰাণ হেৰুৱাইছিল।

## পাতপাতকৈ চোৱা তিনিটা আচল কথা

ঈশ্বৰৰ লোকবিলাকলৈ তিনিটা অত্যন্ত গুৰুত্বপূৰ্ণ বাস্তৱ তথ্যক প্ৰকাশিতবাক্য ১২:১০-১২ পদবোৰত প্ৰতিষ্ঠিত কৰা হৈছে। এই বাস্তৱ তথ্যবোৰ হৈছেঃ

১. সেই ক্ৰুচত ভাইবিলাকক অপবাদ দিওঁতা চয়তানক যীচুৱে পৰাজয় কৰিছিল।

২. যীচুৰ তেজৰ যোগেদি আৰু আমাৰ সাক্ষ্যবোৰক আনক কোৱাৰ দ্বাৰাই আমি সকলোৱেই তাক জয় কৰিব পাৰোঁ।

৩. চয়তান খঙত বলিয়াৰ দৰে হৈ পৰিছে কাৰন সি জানিছে যে তাৰ সময় ছুটি হৈ আহিছে। সি এজন ভদ্ৰ মানুহৰ দৰে ব্যৱহাৰ কৰিব বুলি আমি আশা কৰিব নোৱাৰো। সি হৈছে আমাৰ ঘোৰ শত্ৰু।

বানীটো এযে যে যীচু, যি জনাই চয়তানক পৰাজয় কৰিলে, তেৱেঁই তেওঁৰ অতুলনীয় শক্তিক আমালৈ বিনামূলীয়াকৈ উপহাৰ স্বৰূপে প্ৰদান কৰে। আমাৰ জীৱনত থকা তেওঁৰ শক্তিৰ বাবে আমি অফল নহও।চয়তানৰ খঙে আমালোকক লৰচৰ কৰাৰ প্ৰয়োজন নাই। সি এজন পৰাজিত শত্ৰু। সি স্বৰ্গত হোৱা যুদ্ধত পৰাজিত হৈছিল আৰু তাৰ পৰা খেদা খাইছিল। সি সেই ক্ৰুচত যীচুৰ দ্বাৰাই পৰাজিত হৈছিল আৰু তাৰ একাধিপত্যক হেৰুৱাই লৈথিল। সোধ-বিচাৰত সি আইনগতভাৱে তাৰ মোকৰ্দমাত হাৰিব, আৰু সি যেতিয়া ঈশ্বৰৰ পবিত্ৰ নগৰখনক আকৌ এবাৰ আক্ৰমন কৰিব, তেতিয়াও সি পৰাজিত হব। অৱশেষত, অগ্নিৰ সৰোবৰত পেলোৱা খাই তাক পৃথিবীৰ পৰাই সাৰি পুচি নাইকীয়া কৰাৰ যি পৰাজয় তাৰ গ্লানি সি ভোগ কৰিব লাগিব। আৰু, সকলোতকৈ আচৰিত কথাটো হল, যীচুৱে প্ৰতিজ্ঞা কৰিছে যে তেওঁৰ এই তিক্ততাপূৰ্ণ যুদ্ধত তেওঁ আপোনাৰ আৰু মোৰ অহং ভাৱটোক বিনষ্ট কৰিবলৈ তাক পৰাজিত কৰা হব। যীচুৰ মুখৰ পৰা ওলোৱা এয়া কি যে এক আচৰিত আশাৰ বানী!


©2024 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক **Bookstore.AFTV.in**